**Series ΨYZXW** **Set-4**

**Q.P. Code 15**

Roll No.

Candidates must write the Q.P. Code on the title page of the answer-book.

# অসমীয়া

# ASSAMESE

*সময় : **3** ঘণ্টা* *সৰ্বমুঠ নম্বৰ : **80***

*Time allowed : **3** hours* *Maximum Marks : **80***

- Please check that this question paper contains **15** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **20** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

*

***General Instructions :***

*There are **four** sections in question paper.*

*Section A contains 1 question.*

*Section B contains 5 questions.*

*Section C contains 8 questions.*

*Section D contains 6 questions.*

*Attempt questions as per instructions mentioned against each question.*

## SECTION A (15 marks)

### Comprehension (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা :

একোখন দেশত হাজাৰ হাজাৰ গাওঁ আৰু শ শ নগৰ যদিও অতি প্ৰাচীন কালত গাঁও বা নগৰ আছে বুলিবলৈ একোৱেই নাছিল । তেতিয়া মানুহে গছৰ খোন্দ বা পৰ্বতৰ গুহাত বাস কৰিছিল আৰু ফল-মূল, মাছ-মঙহ আদি খাই জীৱন-ধাৰণ কৰিছিল । এইদৰে বহুত দিন যোৱাৰ পিছত তেওঁলোকে পোহমনা পশু পুহি পশুপালন বৃত্তি অৱলম্বন কৰি বিভিন্ন ঠাইত ঘূৰি-ফুৰি অঘৰী জীৱন-যাপন কৰিছিল ।

প্ৰকৃতিৰ মাজত বিচৰণ কৰোঁতে ইয়াৰ বিভিন্ন কাৰ্য সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰাৰ ফলত তেওঁলোকে কৃষি পদ্ধতি আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ল । তাৰ ফলত তেঁওলোকে স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে । এইদৰে গাঁৱৰ সৃষ্টি হ'ল ।

কালক্ৰমে ওচৰা-উচৰিকৈ বাস কৰা মানুহৰ মাজত যোগাযোগে বৃদ্ধি হ'ল । তেঁওলোকে সামূহিক সুবিধা, নিৰাপত্তা আৰু সমাজৰ সুপৰিচলনাৰ বাবে শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিলে । শাসনৰ কেন্দ্ৰ স্থানবোৰত ৰজা, মন্ত্ৰী, বিষয়া, সৈন্য-সামন্ত আদি থকাৰ কাৰণে জন সমাবেশ হ'বলৈ আৰম্ভ কৰিলে । মানুহৰ মনত ধৰ্মৰ ভাব

সৃষ্টি হোৱাৰ ফলত কিছুমান ধৰ্ম প্ৰৱৰ্তকৰ সৃষ্টি হ’ল । কালক্ৰমত তেঁওলোক থকা ঠাইত মঠ-মন্দিৰ স্থাপিত হ’ল । তেনে ঠাইবিলাকতো জন সমাবেশ হ’বলৈ ধৰিলে । জন সমাবেশ বেছি হোৱা ঠাইত শিল্প উদ্যোগ আদি স্থাপিত হ’ল; কাৰণ তেনে ঠাই বিলাকত বেহা-বেপাৰৰ সুবিধা বেছি । তেনে ঠাই বিলাকলৈ বিভিন্ন অঞ্চলৰ পৰা যাতায়তৰ সুবিধাৰ কাৰণে বাট-পথ নিৰ্মাণ কৰা হ’ল । এইদৰে সেই ঠাই বিলাকত নগৰ গঢ়ি উঠিল । এনেদৰে মানুহৰ বসবাসৰ ৰীতি, জীৱন ধাৰণৰ পদ্ধতি আদিৰ পৰিৱৰ্তনৰ ফলত গাঁৱৰ সৃষ্টি হ’ল আৰু মানুহৰ বুদ্ধি-বৃত্তি, সভ্যতা আদিৰ অগ্ৰগতিৰ ফলত নিজৰ সুবিধাৰ বাবে তেঁওলোকে নগৰ স্থাপন কৰিলে । এইবাবে ই কোৱা হয় যে গাঁও ভগৱানে সৃষ্টি কৰে আৰু নগৰ মানুহে স্থাপন কৰে ।

গাঁও, নগৰৰ দৰে কোলাহল মুখৰিত নহয় । গাঁৱৰ পৰিবেশ শান্ত । গাঁৱলীয়া জীৱন ধাৰণৰ মানো উচ্চ নহয় । তাত বিলাসিতা কম । এই কাৰণে গাঁৱলীয়া মানুহে কম খৰচতে জীৱন নিৰ্বাহ কৰিব পাৰে । গাঁৱৰ বেছিভাগ লোক কৃষক । তেঁওলোকে নানা ধৰণৰ খেতি কৰে আৰু সেইদৰে তেঁওলোকে অনেক বস্তু নিজে প্ৰস্তুত কৰে বা উৎপন্ন কৰে । গাঁওবিলাক চিৰ সেউজীয়া । গাঁৱৰ প্ৰাকৃতিক দৃশ্য মনোৰম ।

কিন্তু গাঁৱত শিক্ষাৰ সুবিধা কম । শিক্ষা লাভৰ অৰ্থে দুৰলৈ যাবলগীয়া হোৱা বাবে গাঁৱৰ ল’ৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিব নোৱাৰে । গাঁৱত চিকিৎসা-পাতিৰ সুবিধাও বৰ কম । আলি-পদূলিৰ ভাল ব্যৱস্থা নথকা বাবে বাৰিষা কালত বৰ অসুবিধা হয় । গাঁৱত খেল-ধেমালি, আমোদ-প্ৰমোদ আদিৰো সুবিধা কম । শোষণকাৰীৰ কবলত পৰিও কিছুমান গাঁৱলীয়া লোক সৰ্বহাৰা হোৱা দেখা যায় । গাঁৱৰ জীৱন সমাজ-কেন্দ্ৰিক । নগৰ বা চহৰৰ জীৱন ব্যক্তি-কেন্দ্ৰিক । গাঁৱৰ জীৱন পৰম্পৰাগত

আনহাতে চহৰৰ জীৱনত আধুনিকতাৰ প্ৰভাৱ বেছি । নগৰত স্কুল, কলেজ আদি সকলো ৰকমৰ শিক্ষানুষ্ঠান থকা বাবে ল’ৰা-ছোৱালীয়ে ৰুচি, সামৰ্থ বুদ্ধি-বৃত্তি অনুসৰি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পাৰে । চহৰত উন্নত চিকিৎসাৰ ব্যৱস্থা আছে । বাট-পথৰ সুবিধাৰ লগে লগে যান-বাহনৰো ব্যৱস্থা আছে । আমোদ-প্ৰমোদৰ সুবিধা থাকে । চহৰত বেহা-বেপাৰৰো সুবিধা বেছি ।

আধুনিক সভ্যতাত সভ্য বোলাই জীৱন-নিৰ্বাহ কৰাৰ বাবে আৱশ্যকীয় অনেক সুবিধা গাঁওবিলাকত নাই । সেইবাবে গাঁৱৰ প্ৰতি বহুত মানুহৰ বিৰূপ ভাবৰ সৃষ্টি হয় । ফলত মানুহ নগৰমুখী হৈছে । সুবিধা পালেই গাঁৱলীয়া মানুহ নগৰলৈ যায় ।

সুখ-শান্তিৰ ফালৰ পৰা বিচাৰ কৰিলে নগৰতকৈ গাঁও ভাল । শিক্ষা, স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা, যাতায়ত আদিৰ ক্ষেত্ৰত গাঁৱত যিবোৰ অসুবিধা আছে সেইবিলাক দূৰ কৰিব পাৰিলে গাঁও স্বৰ্গপুৰীলৈ ৰূপান্তৰিত হ'ব । গাঁৱক এৰি নগৰ বৰ্তি থাকিব নোৱাৰে । সেইবাবে আৱশ্যকীয় সকলো সুবিধা প্ৰদান কৰি গাঁৱবিলাকক আকৰ্ষণীয় কৰি তোলোতো সকলোৰে কৰ্তব্য ।

প্ৰশ্ন :

(i) গাঁৱৰ সৃষ্টি কেতিয়াৰ পৰা হ'ল ? *2*

(ii) গাঁৱৰ জীৱন আৰু নগৰৰ জীৱনৰ মাজত থকা দুটা পাৰ্থক্য অনুচ্ছেদটোৰ পৰা লিখা । *2*

(iii) মানুহ কিয় নগৰমুখী হয় ? *2*

(iv) শুদ্ধ বিপৰীত অৰ্থটো বাছি উলিয়াই লিখা – *1*

সৃষ্টি

(a) শেষ

(b) সমাপ্ত

(c) ধ্বংস

(d) অন্ত

(v) প্ৰত্যয় = শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *1*

গাঁৱলীয়া

(a) গাঁৱ+অলীয়া

(b) গাঁও+অলীয়া

(c) গাঁ+অলীয়া

(d) গাঁও+লীয়া

(vi) সন্ধি ভাঙা – শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – 1

মনোৰম

(a) মনঃ+ৰম

(b) মনো+ৰম

(c) মন+ৰম

(d) মন+ওৰম

(vii) সমাজৰ সুপৰিচালনাৰ বাবে __________ প্ৰৱৰ্তন কৰিলে । 1

(a) ধৰ্ম ব্যৱস্থা

(b) সমাজ ব্যৱস্থা

(c) শাসন ব্যৱস্থা

(d) শিক্ষাব্যৱস্থা

(viii) __________ বেছি হোৱা ঠাইত শিল্প উদ্যোগ স্থাপিত হ'ল । 1

(a) ধৰ্ম প্ৰৱৰ্তক

(b) জনসমাবেশ

(c) মানুহ

(d) অঘৰী

(ix) বিভিন্ন ঠাইত ঘূৰি-ফুৰা মানুহক __________ বোলে । 1

(a) সংসাৰী

(b) বৈৰাগী

(c) সৈন্যাসী

(d) অঘৰী

(x) গাঁৱৰ বেছিভাগ মানুহ __________ । 1

(a) শিক্ষক

(b) ব্যৱসায়ী

(c) কৃষক

(d) এলেহুৱা

(xi) গাঁও সৃষ্টি কৰে ________ । *1*

(a) ভগৱানে

(b) চৰকাৰে

(c) মানুহে

(d) সমাজে

(xii) ‘‘ৰূপান্তৰ’’ – শব্দৰ অৰ্থ হ’ল – *1*

(a) ধুনীয়া

(b) উন্নত

(c) ধ্বংস

(d) পৰিৱৰ্তন

**SECTION B (25 marks)**

**(লিখন কলা)**

**2.** (i) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণ কৰা (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা দিবা ।) *5*

এটা ভেৰাৰখীয়া ল’ৰা _________ হাবিৰ কাষত ভেৰা চৰায় _________ এদিন বাঘ ওলোৱা বুলি মিছাকৈ চিঞৰিলে _________ গাঁৱৰ মানুহ লাঠি-টাঙোন লৈ আহিল _________ মানুহবোৰক দেখি ল’ৰাটোৱে হাঁহিব ধৰিলে _________ মানুহবোৰে বেয়া পালে _________ আন এদিন সঁচাকৈ বাঘ ওলাল _________ সহায়ৰ বাবে চিঞৰিলে _________ কোনো নগ’ল _________ বাঘে ভেৰাৰখীয়াক মাৰি খালে _________

**নাইবা**

(ii) তলত দিয়া যিকোনো ***এখন*** ৰচনা লিখা –

(a) অধ্যয়নশীলতা

(b) ছাত্ৰৰ কৰ্তব্য

**3.** যোৱাবেলি তোমাৰ বিদ্যালয়ে আয়োজন কৰা 'শিক্ষক দিৱস'ৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়খনৰ নাম সাংকেতিক আখৰত লিখিবা) *5*

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনা বুজাই লিখা – *5*

(i) তুলসীৰ লগত কলপটুৱাৰো মুক্তি ।

(ii) নাও বুৰিলেও টিঙৰ পৰা ননমা ।

**5.** তোমাৰ বিদ্যালয়ত অলপতে অনুষ্ঠিত হৈ যোৱা সাংস্কৃতিক অনুষ্ঠানটোৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত ঠিকনাবোৰ সাংকেতিক আখৰত লিখিবা ।) *5*

**6.** তলত দিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা – যিকোনো ***৫টা***) *5*
গাত দে, গা ঘেলা, ঘৰ জোঁৱাই, গা চাই ফুৰ, ঘৰ গোনা, গা গধুৰ

## SECTION C (20 marks)
## (ব্যাকৰণ)

**7.** উত্তৰ লিখা – *2×1=2*

(i) তলত দিয়া শব্দটোত কোনটো উপসৰ্গ লগ লাগিছে ?
নিৰ্ণয়

(a) নি

(b) নিৰ

(c) নিজ

(d) নিৰা

(ii) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা –

(a) উপসৰ্গবোৰ ধাতুৰ পিছত বহি বিভিন্ন অৰ্থ প্ৰকাশ কৰে ।

(b) উপসৰ্গবোৰ নিজে কোনো অৰ্থ প্ৰকাশ কৰে ।

(c) উপসৰ্গ দইটা ।

(d) উপসৰ্গ এবিধ অব্যয় ।

**8.** উত্তৰ লিখা – *2×1=2*

(i) কোনো কোনো ব্যাকৰণবিদে অনুসৰ্গবোৰক __________ বোলে ।

(a) নামধাতু

(b) ক্ৰিয়াবাচক পৰসৰ্গ

(c) প্ৰত্যয়

(d) বিশেষণ

(ii) মই তেওঁক জানোৱেই । তলত আঁচটনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

(a) ই

(b) ৱেই

(c) ওৱেই

(d) এই

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) সদুপদেশ

(a) সদ+উপদেশ

(b) সৎ+উপদেশ

(c) সদু+পদেশ

(d) সঃ+উপদেশ

(ii) উচ্ছেদ

(a) উৎ+চেদ

(b) উদ+ছেদ

(c) উৎ+ছেদ

(d) উদ্+ছেদ

(iii) শুদ্ধ উত্তৰাটো লিখা –

পুৰঃ +কাৰ

(a) পুৰস্কাৰ

(b) পুৰষ্কাৰ

(c) পোৰস্কাৰ

(d) পোৰষ্কাৰ

(iv) শুদ্ধ উত্তৰটো লিখা –

নিঃ+আকাৰ

(a) নিস্কাৰ

(b) নিৰাকাৰ

(c) নিষ্কাৰ

(d) নিঃকাৰ

**10.** কোনটো কি বাক্য লিখা – (যিকোনো ***দুটা***) *2×1=2*

(i) তেওঁ দুখীয়া, কিন্তু অকৃতজ্ঞ নহয় ।

(a) মিশ্ৰবাক্য

(b) যৌগিক বাক্য

(c) জটিল বাক্য

(d) সৰলবাক্য

(ii) তুমি গ্ৰীষ্মৰ বন্ধত আমাৰ ঘৰলৈ আহিবা ।

(a) সৰল বাক্য

(b) জটিল বাক্য

(c) যৌগিক বাক্য

(d) ভাৱবোধক বাক্য

(iii) অসমৰ যি জাতীয় উৎসৱ, তাক আমি সন্মান কৰা উচিত ।

(a) যৌগিক বাক্য

(b) প্ৰশ্নবোধক বাক্য

(c) সৰল বাক্য

(d) জটিল বাক্য

**11.** শুদ্ধ সমাৰ্থক শব্দটো বাছি উলিয়াই লিখা – (যিকোনো ***চাৰিটা***) *4×1=4*

(i) জুই =

(a) স্পৃহা

(b) সৰিৎ

(c) অম্বুদ

(d) বহ্নি

(ii) ঘৰ =

(a) বিধাতা

(b) আলয়

(c) চক্ষু

(d) তটিনী

(iii) পদুম =

(a) কমল

(b) অনিল

(c) জগদীশ

(d) শূণ্য

(iv) পৱন =

(a) দিৱস

(b) ভগৱান

(c) সমীৰ

(d) হুতাশন

(v) সূৰ্য =

(a) বিভৱ

(b) বেলি

(c) প্ৰাক্তন

(d) বহ্নি

**12.** তলত দিয়া শব্দদুটাত কি কি তদ্ধিত প্ৰত্যয় যোগ হৈছে শুদ্ধ উত্তৰটো বাছি লিখা – *2×1=2*

(i) খেতিয়ক –

(a) অক

(b) ইয়ক

(c) য়ক

(d) অয়ক

(ii) বাটৰুৱা =

(a) উৱা

(b) অৰুৱা

(c) আ

(d) ৰুৱা

**13.** উত্তৰ লিখা শব্দকেইটাৰ শুদ্ধ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – (যিকোনো ***দুটাৰ***) *2×1=2*

(i) উপস্থিত =

(a) কৃপণ

(b) পুৰণি

(c) অনুপস্থিত

(d) অনাচাৰ

(ii) গৃহস্থী =

(a) সন্ন্যাসী

(b) আয়

(c) অসুৰ

(d) চাপৰ

(iii) দ্ৰুত =

(a) পাতল

(b) নীচ

(c) অবৈধ

(d) মন্থৰ

**14.** শুদ্ধ উত্তৰ লিখা – *2×1=2*

(i) তলত দিয়া কোনটো স্ত্ৰী লিংগৰ শব্দৰ, পুংলিংগৰ শব্দ নাই –

(a) আই

(b) ফুলতী

(c) ৰাজকুমাৰী

(d) মেম

(ii) লিংগ পৰিৱৰ্তন কৰা –

দঁতাল =

(a) কাঢ়লী

(b) গাই

(c) জলগুঁই

(d) মাখুন্দী

## SECTION D (20 marks)

## (গদ্য ভাগ)

**15.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4*

(i) তাৎপৰ্য বুজাই লিখা : নৰ সেৱাই প্ৰকৃত নাৰায়ণ সেৱা

(ii) শিক্ষয়িত্ৰীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল ? ইয়াৰ পিছৰ পৰিস্থিতি কি হৈছিল বুজাই লিখা ।

**16.** চমু উত্তৰ লিখা : (যিকোনো ***এটাৰ***) *2*

(i) লিখকৰ মতে দেশৰ প্ৰকৃত উন্নতি কৰা মানে কিহৰ উন্নতি কৰা ?

(ii) নিগনা চিকাৰীৰ প্ৰকৃত নাম কি ? তেওঁ কাক প্ৰথমে কাজিৰঙাৰ গঁড় দেখুৱাইছিল ?

**17.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) __________ শিকিবলৈ হলে পানীত ননমাকৈ নহয় ।

(a) সাঁতুৰিবলৈ

(b) সংগীত

(c) নৃত্য

(d) ব্যায়াম

(ii) _________ গঢ়িবলৈ হলে জুইশালত গঢ়িব লাগিব ।

(a) তাঁতশালত

(b) কমাৰশালত

(c) ঘোঁড়াশালত

(d) মাটিশালত

(iii) পলে নাৱৰ পানী সোমোৱা ফুটাটো __________ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল ।

(a) হাতেৰে

(b) কাপোৰেৰ

(c) জোতাৰে

(d) মেটেকাৰে

(iv) কোনখন অসমৰ অৰণ্য নহয় ?

(a) পবিতৰা

(b) মানাহ

(c) সুন্দৰবন

(d) ওৰাং

## (পদ্য ভাগ)

**18.** উত্তৰ লিখা (যিকোনো ***এটা***) – *4*

(i) প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা –

আতুৰ ভৈলোহো হৰি বিষয় বিকলে ।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে ।

(ii) মক্কাৰ দুৱাৰত চাহাব তিৰ্‌বেণীৰ ঘাট ।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট ।।

– উল্লিখিত জিকিৰ ফাঁকিৰ অন্তৰ্নিহিত ভাব বুজাই লিখা ।

**19.** উত্তৰ লিখা (যিকোনো ***এটাৰ***) – *2*

(i) মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ বৰগীতৰ বিষয়ে চমুটোকা লিখা ।

(ii) চমুটোকা লিখা – আজান ফকিৰ

**20.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা – *4×1=4*

(i) শ্ৰীশ্ৰী মাধৱদেৱৰ বৰগীতৰ অসমীয়া সমাজৰ __________ চিত্ৰ একোখন চিত্ৰিত হৈছে ।

(a) সামাজিক পৰিৱেশৰ

(b) ৰাজনৈতিক পৰিৱেশৰ

(c) অৰ্থনৈতিক পৰিৱেশৰ

(d) ঘৰুৱা পৰিৱেশৰ

(ii) 'যাহাকু' শব্দৰ অৰ্থ হ'ল –

(a) যিজনক

(b) যেতিয়া

(c) যি সময়ত

(d) য'ত

(iii) আজান ফকীৰে কাৰ শাসন কালত অসমলৈ আহিছিল ?

(a) ৰুদ্ৰ সিংহৰ

(b) গদাধৰ সিংহৰ

(c) শ্ৰী শ্ৰীশংকৰ দেৱৰ

(d) শ্ৰীশ্ৰীমাধৱ দেৱৰ

(iv) আজানফকিৰে __________ ভকতৰ সৈতে ধৰ্ম চৰ্চা কৰিছিল ।

(a) ছকুৰি

(b) দহকুৰি

(c) একুৰি

(d) দুকুৰি